সুৰক্ষা স্বাৱলম্বন একতা

# সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ

**Regn. No.RS/KAM (M) 263/0/314/2016-2017**

অসম

কেশৱ ধাম, কে.বি. ৰোড, পল্টন বজাৰ, গুৱাহাটী - ৭৮১০০৮

*তাৰিখঃ ০৯-০১-২০২৪*

## সীমান্ত ক্ৰীড়া মহোৎসৱ’২৪

সাদৰ সম্ভাষণ গ্ৰহণ কৰিব। আশাকৰোঁ আপোনালোক আটায়ে কুশলে আছে। বিগত বছৰৰ দৰে এইবেলিও আমি সীমান্ত ক্ৰীড়া মহোৎসৱ’২৪ৰ বাবে সাজু হৈছো। ইয়াৰ দ্বাৰা ভাৰত-বাংলাদেশ আৰু ভাৰত-ভূটান সীমাৰ সকলো জিলাৰ কাৰ্যকৰ্তাক অবগত কৰা হয় যে- প্ৰতি বছৰৰ দৰে এই বছৰো মাৰ্চ মাহৰ ৩০, ৩১ আৰু এপ্ৰিল মাহৰ ১ তাৰিখে গুৱাহাটীত সীমান্ত ক্ৰীড়া মহোৎসৱ’ ২৪ৰ আয়োজন কৰা হৈছে। তদুপলক্ষে চলিত বৰ্ষৰ জানুৱাৰী মাহত কমেও ২দিন জিলা পৰ্যায়ত তলত উল্লেখ কৰা খেলসমূহৰ বাছনি খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আহ্বান জনোৱা হ’ল।

**খেলসমূহ ঃ**

**A) Athletics :**

1. 100 mtr. Race for Boys & Girls.
2. 200 mtr. Race for Boys & Girls.
3. 800 mtr. Race for Girls.
4. 1500 mtr. Race for Boys.
5. 4×100 mtr. Relay Race for Boys & Girls.
6. Long jump, High jump, Shot put, Discuss throw, Javelin throw for Boys & Girls.

**B) Group Match :**

1. Foot ball for Boys & Girls.
2. Kho Kho for Boys & Girls.
3. Kabadi for Boys & Girls.

ধন্যবাদেৰে ---

**ড০ বিনীতা ভাগৱতী**
**সভাপতি**
**শ্ৰী দেৱাশীষ দত্ত**
**সাধাৰণ সম্পাদক**
**সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ, অসম প্ৰদেশ**
**ফোন নং - ৯৯৫৭৯০৭৩৪৬**

**শ্ৰী প্ৰদীপ কুমাৰ, আই.পি.এছ. (অৱসৰ প্ৰাপ্ত)**
**সভাপতি**
**শ্ৰীমতী প্ৰিয়ঙ্কা পালিত**
**সাধাৰণ সম্পাদিকা**
**অভ্যৰ্থনা সমিতি, ৰাজ্যিক ক্ৰীড়া মহোৎসৱ’ ২৪**
**ফোন নং - ৮৬৩৮৮৭০৭৪০**

**সূচনা ঃ**

১। Athletic খেলুৱৈ সকলৰ বয়সৰ সীমা - ১৬ বছৰৰ পৰা ১৯ বছৰৰ ভিতৰত হব লাগিব আৰু
Group খেলৰ বয়সৰ সীমা - ১৬ বছৰৰ পৰা ২১ বছৰৰ ভিতৰত হ’ব লাগিব ।

২। এজন খেলুৱৈয়ে Athletic ৰ যিকোনো দুটা খেল আৰু Groupখেলৰ যিকোনো এটা খেলতহে ভাগ লব পাৰিব। কিন্তু একে সময়তে খেল অনুষ্ঠিত হ’লে তেওঁ কোনটো খেলত অংশ গ্ৰহণ কৰিব সেয়া দলপতিয়ে সিদ্ধান্ত আগতীয়াকৈ ল’ব লাগিব।

৩। খেলুৱৈ সকল শাৰীৰিক ভাবে সুস্থ হ’ব লাগিব ।

৪। সকলো খেলুৱৈয়ে প্ৰ-পত্ৰ পূৰণ কৰি বয়সৰ প্ৰমাণ পত্ৰ গাথি দিব লাগিব ।

৫। ফেব্ৰুৱাৰী (2024) মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত বাছনিকৃত খেলুৱৈৰ সম্পূৰ্ণ তথ্য দিব লাগিব ।

৬। আন্তঃৰাষ্ট্ৰীয় সীমাৰ পৰা ২০ কিঃমিঃ দূৰত্বৰ ভিতৰত অৱস্থিত ১০খন সাংগঠনিক জিলাৰ (দক্ষিণ কৰিমগঞ্জ আৰু উত্তৰ কৰিমগঞ্জ জিলাক সামৰি) গাঁৱৰ ল'ৰা-ছোৱালীয়েহে ভাগ ল'ব পাৰিব এই ক্ৰীড়া মহোৎসৱত।

৭। জিলাত অনুষ্ঠিত হোৱা কোৱালি ফাইং ৰাউণ্ডত নিৰ্বাচিত হোৱা খেলুৱৈহে ৰাজ্যিক ক্ৰীড়া মহোৎসৱত ভাগ ল'ব পাৰিব।

৮। প্ৰতিখন জিলাৰ পৰা প্ৰতিটো খেলত দুজন খেলুৱৈৰ অনুমতি দিয়া হ'ব আৰু এজন খেলুৱৈয়ে সৰ্বাধিক দুটা ব্যক্তিগত খেলত অংশগ্ৰহণ কৰিব পাৰিব।

৯। জিলা ক্ৰীড়াৰ বাবে গঠিত হোৱা অভ্যৰ্থনা সমিতিৰ সভাপতি তথা সাধাৰণ সম্পাদকৰ লগত হোৱা আলোচনাৰ ভিত্তিত জিলা ক্ৰীড়া বিষয়াই খেলুৱৈ সকলক নিৰ্বাচন কৰি পঠিয়াব।

১০। খেলুৱৈসকলে ৩০ মাৰ্চ, ২০২৪ তাৰিখে ৰাতিপুৱা ১০ বজাৰ ভিতৰত গুৱাহাটীত আহি উপস্থিত হ'ব লাগিব আৰু জিলা দলৰ দলনেতা/দলনেত্ৰীয়ে এই ক্ষেত্ৰত যোগাযোগ ৰাখিব।

১১। খেলুৱৈ সকলে নিজাকৈ ট্ৰেকছুট/জাৰ্চি/খেলৰ জোতা ইত্যাদি লৈ আহিব লাগিব।

১২। কাবাডী খেল আৰু ফুটবল খেলত জোতা নিপিন্ধাকৈ অথবা স্বাভাৱিক জোতা পৰিধান কৰি খেলিব পাৰিব।

১৩। ফুটবলৰ বাবে ১৩ জন আৰু কাবাডী খেলৰ বাবে ৯ জন খ'-খ'খেলৰ বাবে ১১ জন খেলুৱৈক অনুমতি দিয়া হ'ব।

১৪। ফুটবল খেলত অংশগ্ৰহণকাৰী সকলে অন্যখেলত ভাগ ল'ব নোৱাৰিব।

১৫। শ্বটপুটৰ বাবে নিয়ম - পুৰুষ = ৮০০ গ্ৰাম, মহিলা = ৫০০ গ্ৰাম, আনহাতে দিছকাচ্ থ্ৰো খেলৰ বাবে পুৰুষ = ২ কে. জি, মহিলা = ১ কে. জি.।

১৬। ৰাজ্যিক সমিতিৰ পৰা পঠোৱা প্ৰ-পত্ৰ পূৰণ কৰি আগতীয়াকৈ পঠাব লাগিব আৰু প্ৰত্যেকজন খেলুৱৈয়ে নিজৰ নিজৰ ভোটাৰ আই ডি/আধাৰ কাৰ্ড লগত লৈ আনিব।

১৭। খেলুৱৈ সকলে নিত্য ব্যৱহাৰ্য্য আৱশ্যকীয় সামগ্ৰীৰ লগতে আঠুৱা সহ শীতকালীন বিচনাৰ সামগ্ৰী, ডায়েৰী, কলম আৰু নিজৰ পাচপৰ্ট আকাৰৰ ফটো দুকপি লগত আনিব। লগতে প্ৰয়োজনীয় ঔষধপাতি (যিসকলে চুগাৰ, থাইৰদ, গেষ্ট্ৰিক ইত্যাদি ঔষধ নিয়মিত সেৱন কৰে, তেওঁলোকৰ বাবে প্ৰযোজ্য) লগত লৈ আনিব।

১৮। ৰাজ্যিক ক্ৰীড়া মহোৎসৱত বিজয়ী সকলক প্ৰতিখন খেলতে ক্ৰমে প্ৰথম, ৰাণাৰ্ছ আপ আৰু দ্বিতীয় ৰাণাৰ্ছ আপৰ বাবে সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদকৰ লগতে চাৰ্টিফিকেট অৱ মেৰিট প্ৰদান কৰা হ'ব।

১৯। ৰাজ্যিক ক্ৰীড়া মহোৎসৱত অংশ গ্ৰহণ কৰা সকলো খেলুৱৈক অংশ গ্ৰহণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।

২০। ৰাজ্যিক ক্ৰীড়া মহোৎসৱত অংশ গ্ৰহণ কৰা সকলো সীমান্তবৰ্ত্তী জিলা দলে নিজা জিলা পতাকা লৈ আনিব।

২১। সকলো খেলুৱৈয়ে তেওঁলোকৰ নিজ দলৰ দল নেতা বা দলনেত্ৰীৰ নিৰ্দেশ মানি চলিব লাগিব আৰু সেই অনুসাৰে নিজ নিজ খেলত অংশগ্ৰহণ কৰিব।


বিশেষ যোগাযোগ ঃ

| | | |
|---|---|---|
| শ্ৰীমতী তনুজা চাহা | শ্ৰী জয়ন্ত শৰ্মা | শ্ৰীচন্দন নাথ |
| ফোন নং - ৯৬৭৮৪১৯৫৩৩ | ফোন নং - ৭৮৯৬৫৪৮১৯৪ | ফোন নং - ৯৯৫৪১৬৬৭৭১ |